# বহুৰাঙী বা বগেজাৰী গীতত প্ৰতিফলিত চৰিত্ৰসমূহৰ এটি আলোচনা

**তুনুকা ৰাভা,**
অংশকালীন অধ্যাপিকা, অসমীয়া বিভাগ, বিকালী মহাবিদ্যালয়, ধূপধৰা, গোৱালপাৰা

**সাৰাংশ ঃ**

*অবিভক্ত গোৱালপাৰা আৰু কামৰূপ অঞ্চলত প্ৰচলিত নৃত্য-গীতেৰে পৰিপূৰ্ণ বহুৰাঙী বা বগেজাৰী পাতি ৰাভা সমাজৰ এটি অন্যতম সংস্কৃতি। বিভিন্ন বাদ্যযন্ত্ৰৰ সহযোগত এনে গীতবোৰ বিশেষকৈ মদৰ মেলত পুৰুষে পুৰুষৰ লগত আৰু মহিলাই মহিলাৰ লগত আপোন বিভোৰ হৈ এই নৃত্যটি প্ৰদৰ্শন কৰে। চহা লোক কবিসকলৰ কণ্ঠত নিগৰি ওলোৱা এই গীতসমূহৰ মাজেৰে তেওঁলোকৰ সমাজ-জীৱনৰ প্ৰতিচ্ছবি প্ৰকাশ পোৱাৰ লগতে চৰিত্ৰৰ বিচিত্ৰ ঘটনাই গীত সমুহক অধিক মনোৰম কৰি তুলিছে। মুল আলোচনা পত্ৰখনত বহুৰাঙী বা বগেজাৰী গীতত প্ৰতিফলিত চৰিত্ৰসমূহৰ বিষয়ে এটি আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ব।*

**উদ্দেশ্য ঃ** পাতিৰাভা সকলৰ মাজত প্ৰচলিত এই গীতসমূহৰ অৱদান আৰু লোকসমাজত ইয়াৰ স্থানৰ বিষয়ে সঠিকভাৱে অধ্যয়ন কৰি বৰ্তমান প্ৰজন্মক অৱগতকৰণৰ লগতে অসমীয়া লোক-সাহিত্যৰ ভঁৰাল চহকী কৰাই এই অধ্যয়নৰ ঘাই উদ্দেশ্য।

**১.০ প্ৰস্তাৱনা ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূৰ্বাঞ্চলৰ সাতোখন ৰাজ্যৰে নিজা নিজা বিশেষত্বৰে পৰিপূৰ্ণ যদিও বিশেষকৈ অসম বিচিত্ৰ আৰু বৰ্ণাঢ্যৰে পৰিপূৰ্ণ। ইয়াত অসমীয়া বুলি নিৰ্দিষ্ট এটা গোষ্ঠীক নুবুজায়। একোটা সামূহিক গোষ্ঠীক লৈ গঠিত বিচিত্ৰ ৰাজ্যৰে হ'ল অসম। বিভিন্ন জাতি-জনগোষ্ঠীৰ অচাৰ-ব্যৱহাৰ, সমাজৰ ৰীতি-নীতি, গীত-মাত, উৎসৱ-অনুষ্ঠান, খোৱা-লোৱাৰ সংস্কৃতি আদি বিভিন্ন আৰু বৈচিত্ৰতাৰে পৰিপূৰ্ণ। ঠিক তেনেদৰে অনৈক্যৰ মাজত ঐক্য স্থাপনত একোটা গোষ্ঠীৰ সংস্কৃতিৰ লগত অইন এটা গোষ্ঠীৰ সংস্কৃতিৰ কিছু পৰিমাণে মিল আৰু কিছু পৰিমাণে অমিল থাকিলেও সমাজ জীৱনত প্ৰত্যেক গোষ্ঠীয়ে প্ৰত্যেক গোষ্ঠীৰ লগত সহায়-সহযোগ ওতঃপ্ৰোতভাৱে জড়িত। ঠিক তেনেকৈ পাতি ৰাভা সমাজত প্ৰচলিত বগেজাৰী বা বহুৰাঙী গীত সমাজ জীৱনৰ এটি চৰিত্ৰ হিচাপে বিস্তাৰিত হৈ আছে আৰু আলোচনা পত্ৰ খনত এই বিষয়টোকে উপস্থাপন কৰা হৈছে।

নামনি অসমত বিশেষকৈ দক্ষিণ কামৰূপ আৰু গোৱালপাৰা অঞ্চলত প্ৰচলিত নৃত্য গীতৰে পৰিপূৰ্ণ বহুৰাঙী বা বগেজাৰী পাতি ৰাভা সমাজত চলি অহা প্ৰচলিত সংস্কৃতি। প্ৰকৃতিৰ বিচৰণ থলীত বসবাস কৰা অতীজৰ নিৰক্ষৰ চহা গাঁৱলীয়া জীৱনৰ পাতি ৰাভা সকলৰ মাজত চলি অহা মুখ-ৰোচক প্ৰৱচন, হাঁহি-কান্দোন, আনন্দ-উলাহ, দুখ-বেদনা, সুখ-সন্তাপ আদি প্ৰকাশভংগী

উমাল ভাৱাবেগ এই গীত সমূহৰ মাধ্যমেৰে প্ৰকাশ হয়। বিভিন্ন বাদ্যযন্ত্ৰৰ সহযোগত এনে গীতবোৰ বিশেষকৈ বদৰ মেলত পুৰুষে পুৰুষৰ লগত আৰু মহিলাই মহিলাৰ লগত জুম বান্ধি আপোন-বিভোৰ হৈ ককাঁল ভাঙি ভাঙি এই থলুৱা নৃত্যত ভাগ লয়। আজিৰ সমাজত অৱশ্যে তেনেকৈ জুম বান্ধি লৈ নৃত্য কৰা দেখা নাযায়। তাৰ পৰিৱৰ্তে সংস্কৃতিৰ এটি অংশ হিচাপে প্ৰদৰ্শিত কৰা দেখা যায় আৰু ইয়াক মঞ্চত বহুৰাঙী বা বগেজাৰী নৃত্য হিচাপেহে প্ৰদৰ্শন কৰে। এই নৃত্যত এতিয়া মহিলাসকলৰ গুৰুত্ব বেছিকৈ দেখা যায়। লোক কবিসকলৰ কণ্ঠত নিগৰি ওলোৱা এই শ্ৰেণীৰ গীতত নানা ধৰণৰ সামাজিক চিত্ৰৰ লগতে গীত সমূহৰ মাজেৰে চৰিত্ৰৰ বিচিত্ৰ প্ৰকাশ দেখিবলৈ পোৱা যায়। চৰিত্ৰৰ বিচিত্ৰ ঘটনাই এই গীত সমূহক অধিক মনোৰম কৰি জীয়াই ৰাখিছে।

**১.১ বিষয়ৰ পৰিসৰ ঃ** পাতিৰাভা সমাজৰ চহা কবিসকলৰ সৃষ্টিৰাজিত নিগৰি ওলোৱা বগেজাৰী বা বহুৰাঙী গীতসমূহৰ পৰিসৰ অতি সংকীৰ্ণ। আলোচনাৰ সুবিধাৰ্থে পাতিৰাভা সমাজত পূৰ্বৰে পৰা চলি অহা এই গীত সমূহৰ মাজেৰে চৰিত্ৰৰ প্ৰকাশ কেনেদৰে প্ৰতিফলিত ঘটিছে তাৰে এটি আভাস দাঙি ধৰিবলৈ প্ৰয়াস কৰা হৈছে।

**১.২ বিষয়ৰ পদ্ধতি আৰু সমল ঃ** প্ৰস্তাৱিত আলোচনাটি ঘাইকৈ মুখ্য আৰু গৌণ উৎসৰ পৰা সমল সংগ্ৰহ কৰা হৈছে। ক্ষেত্ৰভিত্তিক অধ্যয়ন, পুথিভঁৰালৰ সহায় লোৱাৰ লগতে বিষয়বস্তু উপস্থাপনত বিশ্লেষণাত্মক আৰু বৰ্ণনাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে।

**২.০ বিষয়বস্তু ঃ** চহা কবি সকলৰ পৰিস্ফুট ভাৱ-অনুভূতিৰে নিগৰি ওলোৱা এই শ্ৰেণীৰ গীতৰ মাজেৰে প্ৰতিফলন ঘটিছে এগৰাকী বগে নামৰ ৰাংঢালী, আপোন-বিভোৰা আৰু নৃত্য পটিয়সী নাৰীৰ নানা ধৰণৰ জীৱন গাঁথা। বগেৰ জীৱন গাঁথাই প্ৰাধান্য পোৱা এই শ্ৰেণীৰ গীতেই অৱশেষত অঞ্চল বিশেষে 'বগেজাৰী' গীত হিচাপে জনপ্ৰিয়তা লাভ কৰা বুলি ভাৱিবৰো থল আছে।

বহুৰাঙী বা বগেজাৰী গীতসমূহৰ মাজেৰে পুৰুষ-মহিলা উভয়ে দুয়োটা চৰিত্ৰৰে প্ৰতিফলিত হৈছে যদিও মহিলা চৰিত্ৰইহে বেছি স্থান অধিকাৰ কৰি আছে।

প্ৰস্তাৱিত আলোচনাটিত পুৰুষ আৰু মহিলা দুয়োটা চৰিত্ৰ ভিন্ন নামেৰে এই গীত সমূহ কেনেদৰে জনসমাজত বিকশিত হৈ আছে তাৰে এটি আভাস দাঙি ধৰা হৈছে।

**মহিলা চৰিত্ৰ ঃ** বগেজাৰী বা বহুৰাঙী গীতত বগেজাৰীৰ দৰে তৰেং বা চৰেং পাগিলী, খপোৰাঙী, বহুৰাঙী, তুলতুল বাই, ৰহেমালী, ধুন্দলী চাম্ফালী আদি বিভিন্ন নামেৰে নাৰী চৰিত্ৰৰ প্ৰকাশ ঘটিছে।

বহুৰাঙী গীতৰ উল্লেখযোগ্য আৰু জনপ্ৰিয় চৰিত্ৰ দুটি হ'ল বহুৰাঙী আৰু খপোৰাঙী। খপোৰাঙী বহুৰাঙীৰেই ভনীয়েক। গীতত দুয়োটা চৰিত্ৰৰে ভূমিকা অন্যতম । গীতত উল্লেখ পোৱা যায় এনেদৰে —

'অ' বইনী আছিলি বা ক'ত

বইনী নাছিলিবা ক'ত

দুই বইনী মাছ মাৰোং মুকাল পথাৰত।"

" বহুৰাঙী খপোৰাঙী একে ঘৰতে

দুৱাৰ ঝাপাই মদ খায় মোৰে দৰতে।"[২]

বহুৰাঙী গীতৰ আন এটি জনপ্ৰিয় চৰিত্ৰ হ'ল তৰেং বা চৰেং পাগলী। দৰাচলতে বহুৰাঙী নৃত্য-গীতত অংশগ্ৰহণ কৰা নাৰীসকলে নিজকে তৰেং বা চৰেং পাগিলী হিচাপে ৰাইজৰ আগত পৰিচয় দাঙি ধৰে। ইয়াৰ উদাহৰণ স্বৰূপ বহুৰাঙী গীতত পোৱা যায়—

"অ' বাপা ৰাইজ নাপাৰিবা গালি,

নাচিবাকো উঠিলো তৰেং পাগিলী

হাতত লৈছোং গবেনা মাথাত খোপাৰ ফুল

নাচ গান বেয়া হ'লে নধৰিবি ভূল।"[৩]

অঞ্চল বিশেষে একোটা চৰিত্ৰই ভিন্ন নামেৰে গীতত প্ৰতিফলিত হোৱা দেখা যায়। বহুৰাণ্ডী চৰিত্ৰটি আকৌ বগেজাৰী বা বগেবাইৰ চৰিত্ৰ হিচাপেও অতি জনপ্ৰিয়। গীতত উল্লেখ পোৱা যায় -

" বগেজাৰী বাই অ তোৰে গতি গাং

সকল জাতি বদ খায় ৰাভাৰ উঠে নাম।"[৪]

" বৰখালত পৰে বৰ বৰ বগ

বগেজাৰীয়ে এৰে মাৰে ওজাৰ লগ।"[৫]

বহুৰাণ্ডী খপেৰাণ্ডী, চৰেং-তৰেং বগেজাৰী আদি চৰিত্ৰৰ দৰে আৰু বহু চৰিত্ৰৰ বিচিত্ৰ ঘটনাই গীত সমূহত সুবিন্যাস ঘৰিছে। জাৰী (আদবলিয়া) পাগিলী (পগেলী) আদি উপনামৰ দৰে ধুন্দুলী (লুধুমী) বগেজাৰী গীতৰ এটি উল্লেখযোগ্য উপনামৰ চৰিত্ৰ। ৰহেমালী ধুন্দুলী, পুহে ধুন্দুলী দৰে নামবিহীন ধুন্দুলীক লৈও এই গীত সমূহ ৰচিত হৈছে। যেনে—

" ৰহেমালী ধুন্দুলী ধমকতে ল'ৰে

ঢোকা ভাতাৰে সোণা দিছে দলেং দলেং কৰে।"[৬]

"বৰ বিলত মাছ মাৰং ফালো কান্দুলি;

মদ খাংতে পালায় গেল পুহে ধুন্দুলি।"[৭]

**পুৰুষ চৰিত্ৰ ঃ** বহুৰাণ্ডী বা বগেজাৰী গীতত উল্লেখিত পুৰুষ চৰিত্ৰৰ ভিতৰত গাংবুৰা (গাঁওবুঢ়া) অন্যতম। ৰাভা সমাজত গাংবুৰাৰ ভূমিকা উল্লেখনীয়। সেয়েহে গাংবুৰাৰ জোৱাই হ'বলৈ বা নাৰী সকলে স্বামী ৰূপে পাবলৈ সকলোৱে আশা কৰে। এই বিলাক সচৰাচৰ ঘটি অহা ঘটনা। চহা কবিসকলৰ সৃষ্টিৰাজিত এনে ঘটনাই স্থান অধিকাৰ কৰিছে আৰু গীতসমূহৰ মাজেৰেও ইয়াৰ প্ৰতিফলন দেখা যায় —

"বুৰা গৰু হেকেং কেং পাৰি আছে ভেৰত;

দিনে ৰাতি সপোন দেখোং গাংবুৰাৰ ঝোকক।"[৮]

" সূতা কাটং পেনেনেৎ কাটং যঁতৰত,

বুৰা হলিও তিৰি লাগে গাং বুৰাৰ ঘৰত।"[৯]

অন্যান্য সমাজৰ দৰে ৰাভা সমাজতো মাহাজন (ধনী, জমিদাৰ) মণ্ডলবাবু (চৰকাৰী বিষয়া), চিপাহী আদি চৰিত্ৰই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। এই চৰিত্ৰসমূহক লৈও গীত সমূহ প্ৰচলিত আছিল। যেনে -

"বাগৰি জিগিৰ ঘুকং নদী কাণৰ কাংকৰ;

আগে বহিম মাহাজনক পিছত বহিম চাকৰ।"[১০]

"চলক ভমক মণ্ডল বাবু বেতৰ লাঠি হাতত;

এই বাটে নাযাবি ভালুক ওলায় বাটত।"[১১]

" নামকাটা চিপাহী তই থাকা পান বজাৰত
মোকো নিবি যাম মই সেই চহৰত।"[১২]

ইয়াৰ উপৰিও কিছুমান সম্বন্ধ সূচক ব্যক্তি যেনে— কাকা (ককাই), বাই-ভনী(ভিনিহি)ল বিয়ৈ-বিয়ৈনী, দহো-দহোনী ইত্যাদি চৰিত্ৰও গীত সমূহত চিত্ৰিত হোৱা দেখা যায়। উদাহৰণস্বৰূপে -

" অ' কাকা আকাবা ৰাহ পাকায় দি
নাযাং কাকা বোহাৰি ঘৰতে আনি দি।"[১৩]

" তুলতুলী বাই অ' খাংলাগি ভাগি;
ঘৰ লেহি যাই পালি খাবি শাহুৰ গালি।"[১৪]

" তিনিওজনে ফুৰিম ভিনি কবি টানাটানি
এৰা-এৰি নকৰিবি যমে নেনে মানি।"[১৫]

"অ' দহো দহো মই নাযাং পালায়
এটা আছে বুৰা বাপ হ'ব আলাই বিলাই।"[১৬]

" খালুঙে বিয়ানী গৰা মদকে
তিনিদনীয়া গৰা মদে গ'লে নিজিকে।"[১৭]

৩.০ সামৰণি ঃ অসমত বসবাস কৰা লোকসকলৰ সৰহ ভাগেই কৃষিজীৱী আৰু তেওঁলোকৰ বাসস্থান হ'ল গাঁও অঞ্চল। কৃষিকাৰ্য্য আৰু গ্ৰাম্য জীৱন পদ্ধতিৰে সৈতে তেওঁলোকৰ সম্বন্ধ নিবিড়। তেওঁলোকৰ আচাৰ-ব্যৱহাৰ, ভাৱ-অনুভূতি, বিশ্বাস-অবিশ্বাস আদি পৰম্পৰাৰ ওপৰত নিৰ্ভৰশীল। অসমীয়া সংস্কৃতিৰ পৰিপুষ্টি সাধনত এই লোক জীৱনৰ ভূমিকা অপৰিসীম। সেয়ে অসমীয়া লোক-সাহিত্যৰ পৰিসৰো বিস্তৃত আৰু বৈচিত্ৰপূৰ্ণ।

অতীতত লোক-সমাজত চহা জীৱনৰ আনন্দ প্ৰকাশৰ মাধ্যম হিচাপে বগেজাৰী বা বহুৰাঙী গীত গোৱাৰ প্ৰথা আছিল। সময়ৰ সোঁতত এনেবোৰ গীতৰ প্ৰচলন কমি অহা দেখা যায়। এনেবোৰ গীতে সমাজ জীৱনত আনন্দ প্ৰকাশৰ মাধ্যম আৰু সমাজ একতাৰ পৰিচায়ক হিচাপেহে প্ৰকাশ পাই আহিছে। সময়ৰ সোঁতত গীতবোৰে আধুনিকতাৰ লগত ফেৰ মাৰিব নোৱাৰি এতিয়া মাত্ৰ মঞ্চ প্ৰদৰ্শন হিচাপেহে দেখিবলৈ পোৱা যায়।

যিহেতু সহজ-সৰল গ্ৰাম্য জনজীৱনৰ স্বতঃস্ফূৰ্তভাৱে নিগৰি অহা আৱেগ-অনুভূতি , আনন্দ-উল্লাহ আদিৰ মাধ্যম হিচাপে বগেজাৰী বা বহুৰাঙী গীতৰ উৎপত্তি হৈছে। গতিকে এনেবোৰ গীতৰ পৰাই আনন্দ উপভোগৰ প্ৰথা হিচাপে পুৰণি অসমীয়া সংস্কৃতিৰ পাতিৰাভা সমাজত বিৰাজমান হৈ আছে। সময়ৰ পৰিৱৰ্তনৰ লগতে বা পৰিবৰ্তনশীল সমাজ খনৰ লগত এনেবোৰ সংস্কৃতি গঢ় খুৱাই ৰাখিব পৰাটোৱে হৈছে নতুন সভ্যতা সমাজৰ প্ৰগতিৰ মূলমন্ত্ৰ। অতীতৰ সমাজত প্ৰচলিত সংস্কৃতি ধৰি ৰাখিব পাৰিলে বৃহত্তৰ অসমীয়া জাতিৰ সংস্কৃতিৰ লগতে পাতি ৰাভা সমাজৰ সংস্কৃতিৰ ভঁৰালখনো চহকী হৈয়ে থাকিব। বগেজাৰী বা বহুৰাঙী গীত সমূহ বুৰঞ্জীয়ে ঢুকি নোপোৱা ঐতিহ্যৰ সাক্ষ্য বহন কৰা বৰ অসমৰ এটি ক্ষুদ্ৰতম অবিচ্ছেদ্য অংগ। সেয়ে গুৰুত্ব সহকাৰে এনেবোৰ গীত বিজ্ঞ আৰু অভিজ্ঞ ব্যক্তিসকলে চকু ফুৰালে এটি উত্তম প্ৰচেষ্টা বুলি ভাবিবৰো থল আছে।

তথ্যদাঁতা ঃ

১। প্ৰেমশ্বৰী ৰাভা, বকো, কামৰূপ।

২। নমিনা ৰাভা, বকো, কামৰূপ।

৩। কলি ৰাভা, বন্দাপাৰা, কামৰূপ।

৪। মালতী ৰাভা, বন্দাপাৰা, কামৰূপ।

৫। প্ৰতিভা ৰাভা, গুলিয়ানপাৰা, গোৱালপাৰা।

গ্ৰন্থপঞ্জী ঃ

১। কলিতা, মৃণালিনী ঃ বগেজাৰী গীত, কলহী প্ৰকাশন, গুৱাহাটী ঃ ২০১৫, প্ৰকাশিত।

২। ভট্টাচাৰ্য্য, ড° বসন্ত কুমাৰ ঃ অসমীয়া লোকগীত সমীক্ষা, চন্দ্ৰ প্ৰকাশন, গুৱাহাটী ঃ ২০০৭, প্ৰকাশিত।

৩। ৰাভা হাকাচাম, উপেন ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, বীণা লাইব্ৰেৰী, গুৱাহাটী ঃ ২০০৮, প্ৰকাশিত।

৪। ৰাভা, মণি ঃ ৰাভা সংস্কৃতিৰ ধাৰা, বাগ্চৌ লাইব্ৰেৰী, দুধনৈ, গোৱালপাৰা ঃ ২০০৫, প্ৰকাশিত।

১। কলিতা, মৃণালিনী ঃ বগেজাৰী গীত, ২০১৫, পৃষ্ঠা-৭

২। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-১৩

৩। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-৭

৪। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-৪

৫। ৰাভা হাকাচাম, উপেন ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ২০০৮, পৃষ্ঠা-২৩৪

৬। কলিতা, মৃণালিনী ঃ বগেজাৰী গীত, ২০১৫, পৃষ্ঠা-২৭

৭। ৰাভা হাকাচাম, উপেন ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ২০০৮, পৃষ্ঠা-২৩৩

৮। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৬

৯। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৬

১০। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৬

১১। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৬

১২। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৭

১৩। ৰাভা হাকাচাম, উপেন ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ২০০৮, পৃষ্ঠা-২৩৭

১৪। কলিতা, মৃণালিনী ঃ বগেজাৰী গীত, ২০১৫, পৃষ্ঠা - ১৬

১৫। ৰাভা হাকাচাম, উপেন ঃ বৰ অসমৰ বৰ্ণিল সংস্কৃতি, ২০০৮, পৃষ্ঠা-২৩৫

১৬। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৫

১৭। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৫

১৮। পূৰ্ব্বোক্ত গ্ৰন্থ, পৃষ্ঠা-২৩৫